This Question Paper consists of 27 questions and 4 printed pages.

Roll No. | | | | | | | | | | | | | Code No. **55/S/O/A**

Set **A**

# ASSAMESE
# (অসমীয়া)
# (228)

Day and Date of Examination ____________________

Signature of Invigilators 1. ____________________

2. ____________________

---

**সাধাৰণ নিৰ্দেশাৱলী ঃ**

1. প্ৰশ্ন কাকতৰ প্ৰথম পৃষ্ঠাত পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নং সঠিককৈ লিখিব ।

2. পৰীক্ষাৰ্থীয়ে প্ৰশ্ন কাকতৰ প্ৰথম পৃষ্ঠাৰ শীৰ্ষত উল্লেখ কৰা মতে প্ৰশ্ন বহীখনত মুঠ প্ৰশ্নৰ সংখ্যা ক্ৰমানুসাৰে আছে নে নাই আৰু পৃষ্ঠাৰ সংখ্যা ঠিক মতে আছে নে নাই নিশ্চিত হৈ লব লাগিব ।

3. সকলোবোৰ প্ৰশ্নৰ উত্তৰ নিৰ্দিষ্ট সময়ৰ ভিতৰত কৰিব লাগিব ।

4. নিৰ্দিষ্ট স্থানত বাহিৰে প্ৰশ্ন - উত্তৰ বহীৰ অন্য কোনো স্থানত ৰোল নং বা পৰীক্ষাৰ্থীৰ চিনাক্ত কৰণৰ যিকোনো তথ্য লিখিলে পৰীক্ষাৰ্থীৰ পৰীক্ষা বাতিল হব ।

5. উত্তৰ বহীত প্ৰশ্ন কাকতৰ সাংকেতিক সংখ্যা **55/S/O/A-A** উল্লেখ কৰিব ।

**ASSAMESE**

# (অসমীয়া)

**(228)**

সময় : **3** ঘণ্টা ] [ পূৰ্ণমান : **100**

**সাধাৰণ নিৰ্দেশাৱলী ঃ**

- সকলো প্ৰশ্নৰ উত্তৰ কৰা বাঞ্ছনীয় ।

**1.** ‘কেতেকী’ কথাকবিতাটো কোনখন গ্ৰন্থৰ পৰা লোৱা হৈছে? **1**

**2.** ‘গড়গাঁও’ কবিতাটোৰ কবি কোন? **1**

**3.** প্ৰতিটো পুৱাই কবিলৈ কি লুকাই আনে? **1**

**4.** লোভ-মোহক কিহৰ লগত তুলনা কৰা হৈছে? **1**

**5.** হৰনাথ ফুকন কোন? **1**

**6.** কোন চনত কম্পিউটাৰ ভাৰতলৈ আহে? **1**

**7.** ঘুনুচাক এটি টকা দি কোনে সহায় কৰিছিল? **1**

**8.** কিমান চনত মাদাৰ টেৰেছাই ভাৰতীয় নাগৰিকত্ব গ্ৰহণ কৰে? **1**

**9.** কাৰ জীৱনাদৰ্শ'ই গোপীনাথ বৰদলৈক বাৰুকৈয়ে আকৰ্ষণ কৰিছিল? **1**

**10.** দোলন কোন? **1**

**11.** চকু মেলাৰ অৰ্থ কি? ‘মুদিম আকৌ চকু’ এই কবিতাৰ শাৰীয়ে কি অৰ্থ বহন কৰিছে? **2**

**12.** পৰিবেশৰ উপাদান সমূহক কি দুটা ভাগত ভগাব পাৰি? **2**

13. বৰবৰুৱাৰ কিয় হাঁহকনীযুঁজ খেলা নহ'ল? 2

14. কবিক স্বদেশে কি কি দিছে? 3

15. ওজাপালি অনুষ্ঠানৰ প্ৰসাৰতা কি কাৰণে কিছু কমি আহিছে? 3

16. ''ৰুচিনাথ, ৰুচিনাথ, ৰাজদ্ৰোহী ৰুচিনাথ শুন, এই নীচ লুখুৰাসনৰ ল'ৰা লুকুৰ শেষ বাণী।''- লুকু কোন? তেওঁৰ শেষ বাণী কি আছিল? 3

17. প্ৰসংগ সংগতি দৰ্শাই ব্যাখ্যা কৰা : 5x2=10

(ক) ''বিটি ফুলে হাঁহি আজি
ফুলনি ফুলাই তোলে
কালিলৈ পাহি মেলি নেহাঁহে দুনাই
সময়ৰ সোঁত বলি যায়।''

(খ) পৃথিৱীৰ বিৰুদ্ধে যুঁজি হ'লেও অসমে নিজৰ নিজত্ব ৰক্ষা কৰিব লাগিব।

18. 'জনমভূমি' অথবা 'জীৱন জেউতি' কবিতাটিৰ মূলভাৱ লিখা। 6

19. 'সময় অমূল্য ধন'- বহলাই বুজাই লিখা। 5

20. বন্য প্ৰাণী সমূহৰ নিৰাপত্তাৰ বাবে সংৰক্ষিত বনাঞ্চলৰ প্ৰয়োজনীয়তাৰ বিষয়ে চমুকৈ বুজাই লিখা। 4

21. তোমাৰ অঞ্চলৰ যাতায়াত ব্যৱস্থাৰ অসুবিধাৰ কথা জনাই বাতৰি কাকতৰ সম্পাদকৰ জৰিয়তে বিভাগীয় কতৃপক্ষলৈ এখন চিঠি লিখা। 8

22. এটা শব্দত প্ৰকাশ কৰা : (যিকোনো **5** টা) 1x5=5

ৰাতি চকুৰে নেদেখা লোক, যাক বিশ্বাস কৰিব নোৱাৰি, কুহুমৰ দৰে বোল যাৰ, আনৰ ভাল দেখিব নোৱৰা মানুহ, বিদেশৰ পৰা অহা লোক, যাৰ সীমা নাই, একে মাকৰ সন্তান

23. বাক্য ৰচনা কৰা : (যিকোনো **5** টা) 1x5=5

লালিত-পালিত, থৌকি-বাথৌ, নোহোৱা-নোপোজা, গোজেই-গজালি, অৰঙে-দৰঙে, কপাল-ফুটা, আপুৰুগীয়া

24. সন্ধি ভাঙা আৰু পাতা : (যিকোনো **5** টা) 1x5=5

চলাচল, যোগাযোগ, পৰীক্ষা, নিঃ + বিচাৰ, সম্ + কৃত, ভূমি + ঈষ্ঠ

**25.** বিপৰীতাৰ্থক শব্দ লিখা : (যিকোনো **5** টা) **1x5=5**

ভাগ্যবান, আশা, ৰোগী, সৃষ্টি, সূচল, ওখ

**26.** ভাৱ-সম্প্ৰসাৰণ কৰা : (যিকোনো **দুছোৱা**) **6x2=12**

(ক) পঢ়ে পঢ়ুৱায় ৰোৱে পান, এই তিনি নিচিন্তে আন,

(খ) জ্ঞান এক অভেদ্য দূৰ্গ

(গ) মিছা কথাৰ ঠেং চুটি

**27.** তলৰ যিকোনো **এটা** বিষয় বাছি লৈ এখন ৰচনা লিখা : **10**

অসমৰ প্ৰাকৃতিক সৌন্দৰ্য, মোৰ প্ৰিয় সাহিত্যিক, বিজ্ঞান অধ্যয়নৰ আৱশ্যকতা, পুথিভঁৰাল

**- o O o -**